Total number of printed pages–7

**63/1 (SEM–1) GE1/DSC/ ASMHG1016/ASMRC1016**

**2024**

# ASSAMESE

Paper : ASMHG1016/ASMRC1016

## *(Introduction to Assamese Folk Literature)*

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থখনৰ লেখক কোন?

*(i)* ড° নবীন চন্দ্ৰ শৰ্মা

*(ii)* ড° লীলা গগৈ

*(iii)* ড° বিৰিঞ্চি বৰুৱা

*(iv)* ড° প্ৰফুল্ল দত্ত গোস্বামী

(খ) অসমীয়া লোকসাহিত্যক কেইটা ভাগত ভাগ কৰিব পাৰি?

(i) চাৰিটা

(ii) তিনিটা

(iii) দুটা

(iv) ওপৰৰ এটাও নহয়

(গ) আলি আই লৃংগা কোন জনগোষ্ঠীৰ নৃত্য?

(i) মিচিং

(ii) তিৱা

(iii) ৰাভা

(iv) বড়ো

(ঘ) লোকসাহিত্যৰ কোনটো ৰূপ আটাইতকৈ পৰিবৰ্তনশীল বুলি কোৱা হয়?

(i) লোকগীত

(ii) প্ৰবাদ প্ৰৱচন

(iii) সাধুকথা

(iv) কাহিনী গীত



(ঙ) তলৰ কোনবিধ লোক-নাট্যানুষ্ঠান গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ৰূপে পৰিচিত?

(i) কুশান গান

(ii) পুতলা নাচ

(iii) আপী ওজা

(iv) ঢুলীয়া নাচ

(চ) বাৰমাহী গীতৰ মুল বিষয়বস্তু কি?

(i) বাৰমাহৰ বৰ্ণনা

(ii) প্ৰকৃতিৰ বৰ্ণনা

(iii) বীৰত্বৰ বৰ্ণনা

(iv) প্ৰোষিতভৰ্তৃকা নাৰীৰ বিৰহ বৰ্ণনা

(ছ) 'মৈষাল গীত' অসমৰ কোনটো অঞ্চলৰ লোকগীত?

(i) কামৰূপ

(ii) মৰিগাঁও

(iii) গোৱালপাৰা

(iv) বৰপেটা

(জ) উইলিয়াম ৰিচাৰ্ড বেচকমে মৌখিক সাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

(i) পাঁচটা

(ii) চাৰিটা

(iii) তিনিটা

(iv) দুটা

(ঝ) নাহৰৰ গীত কোন শ্ৰেণীৰ কবিতা?

(i) বুৰঞ্জীমূলক

(ii) পুৰাণগত

(iii) বাৰমাহী

(iv) জনশ্ৰুতিমূলক

(ঞ) 'অসমীয়া মানুহৰ ইতিহাস' গ্ৰন্থৰ লেখক কোন?

(i) নগেন সইকীয়া

(ii) ড° বিৰিঞ্চি কুমাৰ বৰুৱা

(iii) ড° লীলা গগৈ

(iv) ড° নবীন চন্দ্ৰ শৰ্মা



২। তলৰ প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) অসমীয়া ভক্তিমূলক লোকগীতৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(খ) অসমীয়া প্ৰবাদ-প্ৰবচনৰ *দুটা* উদাহৰণ দিয়া।

(গ) বনগীত আৰু হুঁচৰি গীতৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(ঘ) বিয়াগীত কোন শ্ৰেণীৰ লোকগীত? নামনি অসমত বিয়াগীতক কি বুলি কোৱা হয়?

(ঙ) 'Ballad' শব্দৰ অসমীয়া প্ৰতিশব্দ কি? এই শব্দটো ক'ৰ পৰা আহিছে?

(চ) দৰ পূজা কি? ই কিহৰ লগত জড়িত?

(ছ) 'মহো-হো গীত' আৰু বাম্বোলপিটা গীত কেতিয়া গোৱা হয়?

৩। উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) দেউল উৎসৱ কি? ই কিহৰ লগত জড়িত?

(খ) অসমীয়া নিচুকনি গীতৰ বিষয়ে নটি টোকা লিখা।

(গ) লোকগীতসমূহৰ বৈশিষ্ট্যসমূহৰ পৰিচয় দিয়া।

(ঘ) বুৰঞ্জীমূলক কাহিনী গীত কাক বোলে? এনে গীতৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঙ) খুলীয়া ভাউৰীয়া লোকনাট্যানুষ্ঠান কি আৰু কোন অঞ্চলত প্ৰচলিত চমুকৈ লিখা।

(চ) বিহু প্ৰধানকৈ কেইটা আৰু কি কি বহলাই লিখা।

(ছ) পটন্তৰ বিলাকত অসমীয়া জনজীৱনৰ চিত্ৰ কেনেদৰে ঠাই পাইছে চমুকৈ লিখা।

(জ) পুতলা নাচৰ বিষয়ে টোকা লিখা।

(ঝ) অসমীয়া লোকসমাজত প্ৰচলিত জন্তু বিষয়ক সাধুবোৰৰ বিষয়ে লিখা।

(ঞ) অসমৰ জনজাতীয় লোকৰ কৃষিভিত্তিক উৎসৱৰ গীত সম্পৰ্কে টোকা লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) ওজাপালি বুলিলে কি বুজা? ওজাপালিৰ শ্ৰেণীবিভাগ-সমূহ আলোচনা কৰা।

(খ) অসমীয়া অনুষ্ঠানমুলক লোকগীত বুলিলে কি বুজা? এনে গীতৰ বিষয়ে এটি নিৰন্ধ ৰচনা কৰা।

(গ) অসমীয়া উৎসৱ-পাৰ্বনৰ লোকগীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।



৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ভক্তিমূলক লোকগীত বুলিলে কি বুজা? অসমীয়া সাহিত্যত ভক্তিমূলক লোকগীত কোনবোৰ বহলাই লিখা।

(খ) অসমীয়া লোকসাহিত্যত প্ৰবাদ-প্ৰবচনবোৰে কিদৰে সাহিত্যৰ ভৰাল চহকী কৰিছে বহলাই লিখা।

(গ) অসমীয়া লোকসাহিত্যৰ মাজেৰে লোকজীৱনৰ প্ৰতিফলন ঘটিছে — ইয়াৰ যুক্তিযুক্ততা বিচাৰ কৰা।